# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-03-2025
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

১। ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৫ লোকসভাত বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হৈছে।

২। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩ টা সমষ্টিত ভোটগ্ৰহণ চলি আছে।

৩। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই ৰাষ্ট্ৰ প্ৰথম ভাৱনাৰে কাম কৰিবলৈ দেশৰ যুৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনাইছে।

৪। মহাৰাষ্ট্ৰৰ ছাহপুৰ বুলধানা ৰাষ্ট্ৰীয় ঘাইপথত আজি হোৱা এটা পথ দুৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুৱায় আৰু ২৬ জন আহত হয়। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৫ লোকসভাত বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হৈছে। কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি বিধেয়কখন উত্থাপন কৰি কয় যে মুছলমান সকলৰ ধৰ্মীয় বিশ্বাসৰ সৈতে বিধেয়কখনৰ কোনো সম্পৰ্ক নাই আৰু ৱাক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ সৈতেহে জড়িত। তেওঁ কয়, যে চৰকাৰে ৱাক্‌ফ পৰিষদসমূহক সৰ্বাত্মক আৰু ধৰ্ম নিৰপেক্ষ কৰি তুলিব খুজিছে। বিধেয়কখনৰ জৰিয়তে মছজিদৰ পৰিচালনা কৰিব খোজা হোৱা নাই বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ বিধেয়ক অনুসৰি ৱাক্‌ফ পৰিষদৰ বিভিন্ন মুছলীম পন্থা, মহিলা আৰু অনামুছলীম সম্প্ৰদায়ৰ প্ৰতিনিধি থাকিব। বিৰোধী পক্ষই বিধেয়কখন লৈ জনসাধাৰণক বিপথে পৰিচালিত কৰা বুলি শ্ৰীৰিজিজুৱে অভিযোগ তোলে। তেওঁ কয় যে ২০১৩ চনত ইউ পি এৰ শাসনকালত ৱাক্‌ফ আইনত সংশোধন কৰা হৈছিল আৰু এই সংশোধনে অন্য আইনসমূহত ব্যাপক প্ৰভাৱ পেলাইছিল। কংগ্ৰেছ শাসনকালত দিল্লীৰ আগশাৰীৰ ঠাইৰ মুঠ ১২৩ টা সম্পত্তি দিল্লী ৱাক্‌ফ পৰিষদলৈ হস্তান্তৰ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। শ্ৰীৰিজিজুৱে কয় যে যুটীয়া সংসদীয় কমিটি আৰু চৰকাৰে এই বিধেয়কখন প্ৰস্তুত কৰি উলিওৱাৰ সময়ত সংশ্লিষ্ট পক্ষসমূহৰ সৈতে ব্যাপকভাৱে আলাপ আলোচনা কৰিছিল।

০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৱাক্‌ফ সংশোধনী বিধেয়কখন ৰাষ্ট্ৰৰ স্বাৰ্থৰ অনুকুল বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে মুছলমান সম্প্ৰদায়ৰ কোটি কোটি লোকেই নহয় বৰং সমগ্ৰ ৰাষ্ট্ৰই বিধেয়কখনৰ প্ৰতি বিধেয়কখনৰ প্ৰতি সমৰ্থন

আগবঢ়াইছে। বিধেয়কখনত বিৰোধিতা কৰাসকলক সমালোচনা কৰি শ্ৰীৰিজিজুৱে কয় যে তেওঁলোকে একমাত্ৰ ৰাজনৈতিক কাৰণতহে  এনে কৰিছে।

একেধৰণৰ মত প্ৰকাশ কৰি সামাজিক ন্যায় ৰাজ্যমন্ত্ৰী বি এল বাৰ্মাই কয়, যে বিধেযকখন মুছলমান সকলৰ স্বাৰ্থৰ অনুকুল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সবকা সাথ সবকা বিকাশ ভাৱনাৰে কাম কৰি আহিছে।

কংগ্ৰেছ সাংসদ প্ৰমোদ তিৱাৰীয়ে কয়, যে বিৰোধী পক্ষই বাক্‌ফ সংশোধনী বিধেয়কৰ সংশোধনৰ প্ৰস্তাৱ আগবঢ়াইছে যদিও চৰকাৰে এই প্ৰস্তাৱৰ প্ৰতি সন্মতি প্ৰকাশ কৰা নাই। তেওঁ কয়, যে বিধেয়কখন একেই ৰূপত প্ৰৱৰ্তন হলে ই সংবিধানৰ মূল ভাৱনা পৰিপন্থী হ'ব।  সমাজবাদী পাৰ্টীৰ সাংসদ অখিলেশ যাদৱে বিধেয়ক সন্দৰ্ভত মত প্ৰকাশ কৰি কয়, যে তেওঁৰ দলে ইযাৰ বিৰোধিতা কৰিব। বিজেপিয়ে ৰেলৱে আৰু প্ৰতিৰক্ষা ভূমিৰ দৰে বাক্‌ফ ভূমিও বিক্ৰী কৰিব বুলি তেওঁ অভিযোগ উত্থাপন কৰে।

জে দি ইউৰ সাংসদ সঞ্জয় ঝাই কয় যে তেওঁৰ দলে সদনত বিধেয়কখনৰ সমৰ্থন কৰিব। তেওঁৰ লগতে বিহাৰৰ আৰ জে দি আৰু কংগ্ৰেছৰ শাসনকালত মুছলমান সম্প্ৰদায়ৰ লোকৰ কল্যানৰ বাবে একো কাম কৰা হোৱা নাছিল বুলি অভিযোগ তোলে। ইপিনে, চি পি আই এমৰ সাংসদ জন ব্ৰিটাছে বাক্‌ফ সংশোধনী বিধেয়কখনৰ জৰিয়তে সমাজৰ মেৰুকৰণৰ চেষ্টা চলোৱা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে বিৰোধী পক্ষই বিধেয়খনৰ বিৰোধিতা কৰিব বুলি মন্তব্য কৰে।

০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩ টা সমষ্টিত ভোটগ্ৰহণ চলি আছে। কামৰূপ জিলাৰ অন্তৰ্গত ১৪ টা পৰিষদীয় সমষ্টিত  দিনৰ এক বজালৈকে প্ৰায় ৪৯ শতাংশ ভোটগ্ৰহণ হোৱা বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই জনাইছে। গোৱৰ্ধন সমষ্টিত সৰ্বাধিক ৫৬ দশমিক ১-৫ শতাংশ আৰু জাৰিহাট সমষ্টিত সৰ্বনিম্ন ৪১ দশমিক ৯-২ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে। গোৱালপাৰা জিলাত দিনৰ এক বজালৈকে ৫৩ দশমিক ৮-৮ শতাংশ ভোটগ্ৰহণ  হৈছে। জিলাখনৰ দ'দানত সৰ্বাধিক ৬৬ দশমিক ৯-৭ আৰু কুশধোৱা দৰংগিৰিত সৰ্বনিম্ন ৪৬ দশমিক ৪ শতাংশ ভোটদান হৈছে। ভোটগ্ৰহণ এতিয়ালৈকে সুচাৰুৰূপে চলি থকা বুলি আমাৰ কামৰূপ আৰু গোৱালপাৰা জিলাৰ সংবাদদাতাই জনাইছে।

পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি ৩ বজাত অন্ত পৰিব। আমাৰ সংবাদদাতা দুগৰাকীয়ে জনোৱা মতে, বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাসকলে পুৱাৰে পৰা পৰম্পৰাগত সাজ-পোচাক পৰিধান কৰি ভোটকেন্দ্ৰৰ সন্মুখত শাৰী পতা পৰিলক্ষিত হয়। ভোটগ্ৰহণ মুক্ত, নিকা আৰু সুচাৰুৰূপে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। মেঘালয়ৰ সীমান্তৱৰ্তী কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰতো ভোটগ্ৰহণ চলি আছে।

আমাৰ আগৰ  বাতৰিতে কোৱা হৈছে যে, গোৱালপাৰা আৰু কামৰূপৰ মুঠ চাৰি লাখ ৪৫ হাজাৰৰো অধিক ভোটদাতাই আজি তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচনৰ বাবে ভোটদান কৰিছে। কামৰূপ জিলাৰ দুটা আৰু গোৱালপৰা জিলাৰ এটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ১৯ টা সমষ্টিৰ ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰত দুই লাখ ৪০ হাজাৰ ২৫ গৰাকী ভোটদাতাই ৫২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জয়ৰামকুচি পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিৰ ২০৯ টা ভোটগ্ৰহণ কেন্দ্ৰত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতাই ৪৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জিলাখনৰ ১০ টা কেৱল মহিলা বিষয়াৰ দ্বাৰা আৰু এটা দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হৈছে। জিলাখনৰ দুটা আদৰ্শ কেন্দ্ৰত ভোটগ্ৰহণ চলি আছে।

পৰহিলৈ ৪ এপ্ৰিলত গোৱালপাৰা আৰু আমিনগাঁৱত ভোটগণনা কৰা হ'ব আৰু আবেলিৰ ভাগত ফলাফল ঘোষণা কৰা হ'ব।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই ৰাষ্ট্ৰ প্ৰথম ভাৱনাৰে কাম কৰিবলৈ দেশৰ যুৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনাইছে। নতুন দিল্লীত আয়োজিত বিকশিত ভাৰত যুৱ সংসদত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি কয় যে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ যুৱক-যুৱতীসকলক দেশৰ উন্নয়নৰ যাত্ৰাত অৱদান আগবঢ়াবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে যুৱ সংসদত অংশগ্ৰহণ কৰা যুৱক-যুৱতীসকলক দেশৰ ৩০০ খন জিলাৰ পৰা বাচনি কৰা হৈছে আৰু তেঁওলোকে যুৱ সংসদৰ মাধ্যমেৰে দেশৰ গণতান্ত্ৰিক বৈশিষ্টৰ সম্যক ধাৰণা লাভ কৰিব পাৰিব।

০০০০

মহাৰাষ্ট্ৰৰ ছাহপুৰ বুলধানা ৰাষ্ট্ৰীয় ঘাইপথত আজি হোৱা এটা পথ দুৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুৱাই আৰু ২৬ জন আহত হয়। দুখন বাছ আৰু এখন কাৰৰ মাজত হোৱা সংঘৰ্ষত এই লোককেইজন হতাহত হয়। আহত যাত্ৰীসকলক ছাহপুৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হৈছে।

০০০০

ইজৰাইলে গাজা ভূখণ্ডত অভিযানৰ সময়সীমা বৃদ্ধি কৰাৰ লগতে ভূখণ্ডটোৰ এক বৃহৎ অংশ অধিগ্ৰহণ কৰিছে। এটা  বিবৃতিত দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাট্জে কয়, যে অভিযানৰ এই বৰ্ধিত সময়ছোৱাত গাজা ভূখণ্ডত সন্ত্ৰাসবাদীক সম্পূৰ্ণৰূপে নিঃশেষ কৰাৰ লগতে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ আন্তঃগাথনি সম্পূৰ্ণৰূপে ধ্বংস কৰি দিয়াৰ লক্ষ্য লোৱা হৈছে। তেওঁ কয়, যে অধিগ্ৰহণ কৰা অঞ্চলসমূহ ইজৰাইলৰ সুৰক্ষা মণ্ডলৰ সৈতে চামিল কৰা হৈছে। এই ভূখণ্ডৰ পৰা বহুসংখ্যক পেলেষ্টাইনীক নিৰ্মূল কৰাৰ লগতে হামাচক ধ্বংস কৰি ইজৰাইলী বন্দীসকলক ঘুৰাই অনাৰ পোষকতা কৰে। তেওঁ কয়, যে ইজৰাইল আৰু হামাচৰ মাজত চলি থকা দীৰ্ঘদিনীয়া যুঁজৰ অৱসান ঘটোৱাৰ এয়া একমাত্ৰ উপায়। বিগত সপ্তাহত কৰা তেওঁৰ এই ঘোষণাৰ পাছতে ইজৰাইলৰ সৈন্যবাহিনীয়ে অনতি পলমে গাজাৰ অন্যান্য অংশতো পূৰ্ণোদ্যমে অভিযান চলাব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰু এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

পাঞ্জাব কিংছে যোৱা নিশা লক্ষ্নৌত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্নৌ চুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত লক্ষ্নৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেটৰ বিনিময়ত ১৭১ ৰাণ কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৬ অভাৰ আৰু দুটা বলত দুটা উইকেট হেৰুৱাই সহজে বিজয় লক্ষ্য অতিক্ৰম কৰে।

০০০০

আৰ্জেণ্টিনাৰ ব্যুনছ আয়াৰত কাইলৈ হ'বলগীয়া আই এছ এছ এফ বিশ্বকাপ ২০২৫ ত অংশগ্ৰহণৰ বাবে ৪৩ জনীয়া ভাৰতীয় শ্যুটিঙৰ দলটোক শ্যুটাৰ মনু ভাকৰে নেতৃত্ব দিব। প্ৰতিযোগিতাৰ  উদ্বোধনী অনুষ্ঠান আজি অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত খেলুৱৈসকলে ৰাইফল, পিষ্টল আৰু শ্বটগান শাখাত প্ৰতিদ্বন্দিতা আগবঢ়াব। এইবছৰৰ আই এছ এছ এফ বিশ্বকাপত ৪৫ খন দেশৰ ৪০০ শতকৈও অধিক শ্যুটাৰে অংশগ্ৰহণ কৰিছে। ৪৩ জনীয়া শ্যুটাৰেৰে ভাৰতীয় দলটো প্ৰতিযোগিতাৰ আটাইতকৈ বৃহৎ দল আৰু ৩৯ গৰাকী খেলুৱৈৰে চীনৰ দলটো দ্বিতীয় বৃহৎ দল হিচাপে পৰিগণিত হৈছে। আয়োজক দেশ আৰ্জেণ্টিনা ৩৮ গৰাকী খেলুৱৈৰে তৃতীয় বৃহৎ দল হিচাপে পৰিগণিত হৈছে। কাজাখস্তানৰ দলটোত ২৯ জন এথলেট আছে। ভাৰতীয় দলটোৰ মনু ভাকৰে পিষ্টল শাখাত আৰু সৌৰভ চৌধুৰীয়ে পুৰুষৰ পিষ্টল দলত অংশগ্ৰহণ কৰিব। আনিশ ভানৱালা, বিজয়বীৰ সিদ্ধু, ইশা সেন, ঐশ্বৰ্য্য প্ৰতাপ সিং তোমৰ, ছিফট কৌৰ চম্ৰা, অৰ্জুন বাবুতা, পৃথ্বীৰাজ তদিমেন, অনন্তজিত সিং নাৰুকা আৰু ৰায়জা ধিলনৰ লগতে ২০২৪ বৰ্ষৰ পেৰিছ অলিম্পিকত ভাগ লোৱা খেলুৱৈসকলেও এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।

০০০০

সমাপ্ত